Test Booklet No.
परीक्षा पुस्तिका संख्या

This Booklet contains **20** pages.
इस पुस्तिका में **20** पृष्ठ हैं ।

# JPC14–I

**PAPER I / प्रश्न-पत्र I**
**PART IV & V / भाग IV & V**
**Assamese Language Supplement**
**असमी भाषा परिशिष्ट**

Test Booklet Code
परीक्षा पुस्तिका संकेत

**M**

**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें ।**

**For instructions in Assamese see Page 2 of this booklet. / असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें ।**

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Lauguage II) in **ASSAMESE** language, but **NOT BOTH.**
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue/Black Ball Point Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **M**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V consisting of **60** Objective Type Questions, and each carries 1 mark :
   Part IV : Language I – (Assamese) *(Q. Nos. 91 – 120)*
   Part V : Language II – (Assamese) *(Q. Nos. 121 – 150)*
7. Part IV contains 30 questions for Language I and Part V contains 30 questions for Language II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language(s) you have opted for as Language I and/or Language II is a language other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part V (Language II) in a language other than the one chosen as Language I (in Part IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

## *परीक्षार्थियों के लिए निर्देश*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **M**. यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य प्रश्न पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्र[श्न] हैं, तथा प्रत्येक 1 अंक का है :
   भाग IV : भाषा I – (असमी) *(प्रश्न सं. 91 – 120)*
   भाग V : भाषा II – (असमी) *(प्रश्न सं. 121 – 150)*
7. भाग IV में भाषा I के लिए 30 प्रश्न और भाग V में भाषा II के लि[ए] 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा [से] सम्बन्धित प्रश्न दिए गए हैं । **यदि भाषा I और/या भाषा II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिएं ।**
8. **परीक्षार्थी भाग V (भाषा II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

SEAL

Name of the Candidate (in Capitals) : ____________________
परीक्षार्थी का नाम (बड़े अक्षरों में) :
Roll Number (अनुक्रमांक) : in figures (अंकों में) ____________________
: in words (शब्दों में) ____________________
Centre of Examination (in Capitals) : ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) :
Candidate's Signature : ____________ Invigilator's Signature : ____________
परीक्षार्थी के हस्ताक्षर : निरीक्षक के हस्ताक्षर :
Facsimile signature stamp of Centre Superintendent ____________________

https://www.freshersnow.com/previous-year-question-papers/

এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে

# JPC14–I

# কাকত I

# খণ্ড IV & V

# অসমীয়া ভাষা

পৰীক্ষা বহীখন কোড

**M**

***এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।***

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাটিত (পৃষ্ঠা 19 আৰু 20) থকা নির্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নির্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে **অসমীয়া** ভাষাৰ খন্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থী সকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নির্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্রশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়ক সমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. *এই পৃষ্ঠাত নির্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/কলা বল পেন** ব্যৱহাৰ কৰিবা ।*
5. এইখন ভাষা বহীৰ **কোড** হ'ল **M.** এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ **দুটা** খণ্ড – চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্রশ্ন আছে । প্রত্যেক প্রশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড IV : ভাষা I (অসমীয়া) (প্রশ্ন 91 ৰ পৰা প্রশ্ন 120 লৈ)

   খণ্ড V : ভাষা II (অসমীয়া) (প্রশ্ন 121 ৰ পৰা প্রশ্ন 150 লৈ)
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্রশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্রশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্রশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্রশ্ন দিয়া হৈছে তেনেহলে সেই ভাষাটোৰ প্রশ্ন থকা পৰীক্ষণ বহী খুজি লবা । তোমাৰ প্রপত্রত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্রশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নির্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্রশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নির্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. *প্রশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা ।* উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) ______________________

ৰোলনম্বৰ : সংখ্যাৰে ______________________

: আখৰেৰে ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) ______________________

প্ৰাৰ্থীৰ চহী ______________ নিৰীক্ষকৰ চহী ______________

*Facsimile signature stamp of*
Centre Superintendent ______________________

https://www.freshersnow.com/previous-year-question-papers/

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদিহে তেওঁলোকে **ভাষা – I** ৰ বিকল্প **অসমীয়া** লৈছে ।

→

https://www.freshersnow.com/previous-year-question-papers/

# ভাগ IV

# ভাষা I

# অসমীয়া

***নির্দেশ** : তলত দিয়া ৰচনাখণ্ড পঢ়া আৰু প্ৰশ্ন নং 91-ৰ পৰা 99-লৈ আটাইতকৈ উপযুক্ত উত্তৰটো নিৰ্বাচন কৰা ।*

বৃটিছ্-সংক্ৰমণৰ সময়ত যিজন সিংহ পুৰুষে ঠাউচেনচা বংশৰ অন্তিম গৌৰৱৰ শেষ শলিতাডালি জ্বলাই আছিল সেইজনেই হৈছে তুলাৰাম সেনাপতি । নকৈ কি, তুলাৰাম নাম আজি অসমীয়া বুৰঞ্জীৰ জাবৰৰ পাচিত বিচাৰিলেহে পোৱা হয় । কিন্তু একাল আছিল যোতয়া এই তুলাৰামৰ সংকল্প, মনোবল, দৃঢ়তা, দুঃসাহসিকতা আৰু বুৰঞ্জী প্ৰেৰণাই শত্ৰু-মিত্ৰ সকলোৰে মনত বিভীষিকাৰ সঞ্চাৰ কৰিছিল । “ৰ, তোক তুলাৰাম তুলাৰাম দেখুৱাম’ বোলা বীৰত্ব ব্যঞ্জক বচনষাৰৰো গুৰি এই তুলাৰামেই । তুলাৰাম নামত আপামৰ মানুহে চঁক খাইছিলেই নে বনৰ হাতীয়েও বোলে উত্তৰ-কাছাৰত বাট এৰি দিছিল, এনেহে আছিল তুলাৰামৰ প্ৰতাপৰ ৰুদ্ৰতা । সেই ৰুদ্ৰতাৰ ওপৰত বিজয়ী বৃটিছৰ উচ্চ কৰ্তৃপক্ষয়ো সেও মানিবলীয়া হৈছিল । তুলাৰাম সেনাপতিৰ আত্ম-প্ৰতিষ্ঠা, উদ্যম আজিও কষটি শিল হৈ পৰি আছে । অসমীয়া জাতি মৰণৰ ফাললৈ কিমান ঢল লৈছে, সেই শিলেৰে পৰীক্ষা কৰিবৰ সময় পালেহি ।

কছাৰী বুলি অসমীয়া জাতিৰ আগ-মঙহ ফেৰা কাটি নি, চুলিডালকে দুফাল কৰা বিদেশী বুৰঞ্জীবিদ নৃতত্ত্ববিদসকলে যিমানেই কি অসমীয়া জাতিৰ পৰা কছাৰীক নিলগ নকৰক কছাৰী মাত্ৰেই যে অসমীয়া তেজ-মঙহ তাক নুই কৰিবৰ ঠেকুৱেই নাই । কছাৰীৰ দিমাচা নামটো কিম্বদন্তিত ব্ৰহ্মপুত্ৰৰ বংশ বুলি কোৱা আছে । বিশ্বনাথৰ প্ৰতাপপুৰীয়া ৰজাৰ ভাৰ্য্যা কুৰুষীৰ গৰ্ভত জন্ম গ্ৰহণ কৰা আৰিমত্তও এই ব্ৰহ্মপুত্ৰ কুলৰ ঔৰসজাত সন্তান বুলি কথিত আছে । জা-জলপান, চাউল, ডাৱৰ, ডাং, ডাব (ডাব কটাৰীৰ), দোং, ডিঙ্গি (নাও) আদি নিতৌ ঘৰুৱা-কথাত ব্যৱহাৰ হৈ থকা অসমীয়া শব্দ মূলত কছাৰী । নৈ নামৰ ভালেমান যে থলুৱা লোকেই দিয়া, তাক কোৱাৰ সকাম নাই । শদিয়াৰ কৌণ্ডিল্য বা কুণ্ডিল নগৰৰ নামো পূৰ্বতে হালালী বুলি সেই অঞ্চল-নিবাসী চুতীয়া-কছাৰীয়েই দিয়া ।

গুৰিতে এটা হ’লেও, কছাৰীৰ ঠাল-ঠেঙুলি বহুত । তাৰ ভিতৰত লুইতপৰীয়া সংস্কৃতি গঢ় দিয়াত এই কেইটাই প্ৰধান ঃ বদৌচা, ধ্যান বা দেহান, লাঠোচা, পংলংচা, ঠাউচেন্‌চা, হাফালংচা, হাম্মুচা ।

https://www.freshersnow.com/previous-year-question-papers/

দেহান বা ধ্যান খেলটো একেবাৰে উজনিৰ পৰাই ওলাই অহা । তেজীমলা, পানেশৈ কাচনমতী, ফুলৰা-চতলাকে আদি কৰি আমাৰ মাজত থকা ভালেমান সাধুকথা এইটো খেলৰ পৰাই মুখে মুখে বাগৰি অহা । চৈখোৱা ৰাজমাই, টেঙাবাৰী, কাচমাৰী, শিলপুখুৰী, যোগীজান, ঢল, ধেমাজী প্ৰভৃতি ঠাইত দেহান কছাৰী গাঁৱৰ পুৰণি চিন এতিয়াও মাটিৰ তলত মাজে মাজে ওলাই থাকে । গতিকেই কছাৰী সংস্কৃতি সুকীয়া বুলি অসমীয়াৰ গাৰপৰা একৰাই নিলেও, বুৰঞ্জীক চিঞৰাই এশবাৰ ক'ব লাগিব যে কছাৰীয়েইহে অসমীয়া সংস্কৃতিৰ ৰাজহাড় ।

**91.** তুলাৰাম সেনাপতি কোন বংশৰ লোক আছিল ?

(1) আহোম বংশৰ

(2) কছাৰী বংশৰ

(3) ঠাউচেনচা বংশৰ

(4) সেনাপতি বংশৰ

**92.** তুলাৰামৰ প্ৰতাপৰ ৰুদ্ৰতাত কোনে সেও মানিবলৈ বাধ্য হৈছিল ?

(1) শত্ৰু-মিত্ৰ সকলো

(2) বনৰীয়া হাতী

(3) শিল

(4) বৃটিছৰ উচ্চ কতৃপক্ষ

**93.** শদিয়াৰ কৌণ্ডিল্য বা কুণ্ডিল নগৰ অঞ্চলৰ নিবাসী কোন আছিল ?

(1) চুতীয়া-কছাৰী সকল

(2) মিছিংসকল

(3) গাৰোসকল

(4) খাছীসকল

**94.** তলত দিয়া অসমীয়া শব্দকেইটাৰ ভিতৰত কোনটো কছাৰীমূলীয় শব্দ নহয় বিচাৰি উলিওৱা ।

(1) চাউল

(2) কাগজ

(3) ডাৱৰ

(4) জা-জলপান

**95.** বৃহত্তৰ কছাৰী জাতিৰ ঠাল-ঠেঙুলিবোৰৰ ভিতৰত তলত দিয়া কোনটো উজনিৰ পৰা ওলাই অহা ?

(1) হাফালংচা

(2) ঠাউচেনচা

(3) বদৌচা

(4) দেহান

https://www.freshersnow.com/previous-year-question-papers/

96. কৌণ্ডিল্য বা কুণ্ডিল নগৰৰ অতীততে চুতীয়া-কছাৰীসকলে দিয়া নামটো আছিল –

(1) হালালী

(2) বিশ্বনাথ

(3) শদিয়া

(4) প্ৰতাপপুৰ

97. ৰাণী কুৰুষীৰ গৰ্ভজাত পুত্ৰৰ নাম –

(1) বিশ্বনাথ

(2) তুলাৰাম

(3) আৰিমত্ত

(4) প্ৰতাপ

98. তেজীমলাৰ সাধুটো মূলত কোনটো খেলৰ লোককথা আছিল ?

(1) লাঠোচা

(2) দেহান বা ধ্যান

(3) পংলংচা

(4) হাম্মুচা

99. তুলাৰাম সেনাপতিয়ে কোনটো বিৰোধী শক্তিৰ বিৰুদ্ধে থিয় দি নিজৰ বীৰত্ব দেখুৱাবলৈ সক্ষম হৈছিল ?

(1) আহোম

(2) কছাৰী

(3) বৃটিছ

(4) মান

***নিৰ্দেশ*** *: তলত দিয়া পদ্যাংশটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নবোৰৰ (100-ৰ পৰা 105-লৈ) আটাইতকৈ উপযুক্ত উত্তৰটো বাচি উলিওৱা ।*

অ' মোৰ চেনেহী দেশ,
তোমাৰ দুখীয়া পঁজা,
ৰচা তাত শান্তিৰ স্বৰগ;
ক'ত পাম এনে প্ৰীতি,
সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ ?
দুখীয়াৰ ভগা পঁজা,
একোখন তীৰ্থ তাত,
একোখনি পূণ্যৰ আশ্ৰম;
মৰিলে পুনৰ আহি
দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম ।

100. কবিয়ে কোনে 'শান্তিৰ স্বৰগ' ৰচাৰ কথা কৈছে ?

(1) দুখীয়া ৰাইজে

(2) কবিৰ চেনেহৰ জন্মভূমিখনে

(3) দেশৰ জনতাই

(4) চেনেহী বা প্ৰেমৰ পাত্ৰীয়ে

https://www.freshersnow.com/previous-year-question-papers/

**101.** কবিৰ চেনেহী দেশখনত কি বিচাৰি পোৱা যায় ?

(1) ভগা জুপুৰী

(2) প্ৰীতি আৰু সৰল প্ৰাণৰ ভাষা

(3) দেশপ্ৰেমিকৰ আত্মত্যাগ

(4) তীৰ্থস্থান

**102.** দুখীয়াৰ ভগা পঁজাতে থাকে –

(1) একো একোখন তীৰ্থ আৰু পুণ্যাশ্ৰম

(2) সৰলতা আৰু প্ৰীতি

(3) প্ৰীতি আৰু মহিমাময় ত্যাগ

(4) শান্তিৰ স্বৰগ

**103.** কবিয়ে কবিতাটো কাক উদ্দেশ্য কৰি লিখিছে ?

(1) পাঠকক

(2) প্ৰেয়সীক

(3) নিজৰ জন্মভূমিক

(4) দুখুনী মাতৃক

**104.** মৃত্যুৰ পাছত কবিয়ে ইচ্ছা কৰিছে –

(1) তেওঁৰ দুখীয়া দেশখনতে পুনৰ জন্ম ল'বলৈ

(2) শান্তিৰ স্বৰগত দুচকু মুদিবলৈ

(3) পুনৰ পৃথিৱীলৈ ঘূৰি আহিবলৈ

(4) তীৰ্থস্থানত বিহাৰ কৰিবলৈ

**105.** তলৰ কোনটো উদ্ধৃত পদ্যাংশত ফুটি উঠা নাই ?

(1) দেশপ্ৰেম

(2) পুৰ্ণজন্মত বিশ্বাস

(3) শান্তি আৰু সন্তুষ্টি

(4) বিপ্লৱৰ চেতনা

***নিৰ্দেশ*** *: তলত দিয়া প্ৰশ্নবোৰৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে । আটাইতকৈ উপযুক্তটো বাচি প্ৰশ্নবোৰৰ উত্তৰ দিয়া । (প্ৰশ্ন নং 106-ৰ পৰা 120-লৈ)*

**106.** অচিনাকি বা নজনা প্ৰসংগ একোটাকো ধৰি বিভিন্ন সানমিহলি প্ৰসংগৰ আলোচনাত ভাগ লৈ সক্ৰিয় প্ৰদৰ্শন এটা কাৰ্য্যকৰী কৰাত জৰিত মূল উপাদানটো হৈছে –

(1) পঠন

(2) অন্তঃজাল বা ইন্টাৰনেট খোচৰা কাৰ্য্য

(3) অন্য এক দৃষ্টিভংগীৰে পুৰ্নলিখন

(4) মৌখিক বাৰ্তা বিনিময়

**107.** ছাত্ৰ বা ছাত্ৰী এগৰাকীয়ে যেতিয়া 'স্কেনিং' কৰে, তেতিয়া তেঁও –

(1) পাঠ এটাত চকু ফুৰাই তাৰ সাৰমৰ্ম উলিয়ায়

(2) পাঠ এটাৰ অপ্ৰাসংগিক বৰ্ণনাবোৰ বাদ দি ক্ষিপ্ৰতাৰে নিৰ্দিষ্ট তথ্য বিচাৰি উলিয়ায়

(3) প্ৰাসংগিক তথ্য পঠনৰ পৰা লিখিত ৰূপলৈ ৰূপান্তৰ কৰে

(4) তথ্যবোৰ সংগঠিত আৰু সূচীত কৰিবৰ বাবে বুজি পাবলৈ পাঠটো পঢ়ে

**108.** শিকাৰুৰ আচৰণ ভংগী জানিবৰ বাবে আটাইতকৈ কাৰ্য্যকৰী উপায়টো হৈছে –

(1) সাৰমৰ্মমূলক পৰীক্ষা

(2) সৰু সৰু আমোদজনক ঘটনাৰ তথ্য বা এনেকড'টেল ৰেকৰ্ড

(3) পৰ্টফলিঅ'

(4) বিভাগীয় পৰীক্ষা

https://www.freshersnow.com/previous-year-question-papers/

109. দ্বিতীয় মানৰ ছাত্ৰ-ছাত্ৰীয়ে কোন মানদণ্ডৰ পাঠ স্বতন্ত্ৰভাবে পঢ়িব পাৰিছে সেয়া শিক্ষকে চিহ্নিত কৰিবৰ বাবে তলৰ কোনটো আভাস লক্ষ্য কৰিব লাগিব ?

(1) বৰ্ণনাৰ সৈতে পৰিচ্ছেদ মিলোৱা কাৰ্য্য

(2) একোটা পৰিচ্ছেদৰ সাৰাংশ প্ৰস্তুত কৰাটো

(3) ছপা আখৰবোৰ ছাত্ৰ/ছাত্ৰীয়ে চকুৰে চাই পঢ়ি যায় কিন্তু কঠিন পালেই আঙুলি ব্যৱহাৰ কৰে

(4) সম্পৰ্ক স্থাপনৰ বাবে সৰ্বনাম, যোজক অব্যয়ৰ ব্যৱহাৰ

110. কথা কোৱাটো সাধাৰণতে এটা ‘ধাৰণামূলক’ অহৰ্তা বুলি কোৱা হয় । কাৰণ,

(1) স্বাভাৱিকস্বাস্থ্যৰ সাধাৰণ মানুহৰ প্ৰাকৃতিকভাৱেই কথা কোৱাৰ দক্ষতা বিকশিত হয়

(2) সাধাৰণতে শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে তেঁওলোকৰ দ্বায়িত্বৰ ধাৰণা কৰাটো আশা কৰে

(3) শিক্ষণ সামগ্ৰীৰ অবিহনে শ্ৰেণীকোঠাত ভাষা শিকাব পৰা নাযায়

(4) কেৱল মাতৃভাষাটোহে নিপুনভাৱে শিকিব পৰা যায়

111. মানুহে বিদ্যালয়ৰ বিষয়ে পাতি থকা কথাৰ পাঁচটা বাণীবদ্ধ অংশ তোমাক শুনিবলৈ দিয়া হৈছে । কথোপকথনবোৰ শুনি প্ৰতিটো কথাংশ A – G আৰু প্ৰতিজন কঁওতা 1 – 5 হিচাপে মিলোৱা আৰু বাণীবদ্ধ কথোপকথন শুনা । – লক্ষ্য ভাষা শিকাৰ ক্ষেত্ৰত এই কাৰ্য তলৰ কোনটোৰ লগত জৰিত ?

(1) বিস্তৃত পঠন অনুশীলন

(2) ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বিশেষ শিকন কাৰ্য্য

(3) শ্ৰৱনপূৰ্বক পঠনকাৰ্য্য

(4) শ্ৰৱণ মূল্যাংকন কাৰ্য্য

112. ভাষা আহৰণৰ প্ৰসংগত শব্দ-সম্পৰ্কীয় তথা আভিধানিক বিকাশে (Lexical development) কি সূচায় ?

(1) ব্যাকৰণগত বিকাশৰ স্তৰ

(2) বাক্যবিন্যাসৰ গঠনৰ আহৰণ

(3) শব্দৰ আহৰণ – সামাজিক, ব্যক্তিগত আদি

(4) ভাষা আহৰণৰ বাবে উদ্গানি

113. শ্ৰেণীকোঠা এটাত পাঠ, গ্ৰাফিক্‌ছ, এনিমেশ্বন আৰু ধ্বনিৰ একত্ৰ প্ৰয়োগে নিৰ্দেশ কৰে –

(1) নীতিশিক্ষামূলক দৃষ্টান্ত

(2) হিউৰিছটিক্স বা প্ৰয়াস-প্ৰমাদ প্ৰণালী

(3) পঠনমূলক দৃষ্টান্ত

(4) মল্টিমিডিয়া

https://www.freshersnow.com/previous-year-question-papers/

114. ব্যাকৰণ শিক্ষাৰ আধুনিক ধৰণটোৱে গুৰুত্ব দিয়ে –

(1) ব্যাকৰণগত নীতিৰ অনুশীলনত

(2) মিশ্ৰিত প্ৰসংগত বাক্য চানেকি তথা কালৰ গঠনত

(3) শিকাৰুৱে প্ৰথমে L-2 শিকিবলৈ আৰম্ভ কৰোতেঁ ব্যাকৰণ শিকোৱাত

(4) কেৱল ব্যাকৰণ

115. ব্যাকৰণ শিক্ষাৰ মুখ্য উদ্দেশ্য –

(1) শিকাৰুৰ মনত ৰখাৰ ক্ষমতা উন্নত কৰা

(2) শিকাৰুৰ বোধ বা অনুধাৱন দক্ষতাৰ মূল্যায়ন

(3) উচ্চাৰণৰ শুদ্ধতা বৃদ্ধি কৰা

(4) শিকাৰুৰ কৰ্তা আদান-প্ৰদানৰ দক্ষতা বিকাশ কৰা

116. চতুৰ্থ মানত দ্বিতীয় ভাষা এটা শিকাবলৈ নিৰ্বাচন কৰা ভাষা সামগ্ৰীৰ তলৰ কোনটো নিৰ্ণায়ক অন্তভুক্ত হ'ব লাগে ?

(1) প্ৰাসংগিকতা

(2) অলংকৃত বা ফুলাম ভাষাৰ প্ৰয়োগ

(3) দ্ব্যৰ্থক ভাষাৰ প্ৰয়োগ

(4) নিৰ্বাচিত ভাষা সামগ্ৰীপদৰ উত্তৰত কিমানটা শব্দ থাকিব সেয়া নিৰ্দিষ্ট কৰাটো

117. শ্ৰেণীকোঠাত খেলা-ধূলা বা ধেমালিৰ জৰিয়তে শিক্ষাৰ্থীক ভাষা দক্ষতা আহৰণ কৰা কাৰ্য্য কেনে হোৱা উচিত ?

(1) প্ৰযুক্তি জৰিত কাৰ্য্য বোৰতকৈ কম খৰচী

(2) মূল্যাংকণ আৰু সাফল্য আৰ্জনৰ লগত সম্পৰ্কিত

(3) পাঠ্যপুথিৰ কমকৈ ব্যৱহাৰ কৰা

(4) সাহিত্যিক পঠনৰ আধিক্য

118. ভাষা যোগাযোগৰ সূত্ৰত ভাষাৰ এক নিয়মমাফিক বা 'ৰেগুলেৰিটি' উদ্দেশ্য থাকে । অৰ্থাৎ, ভাষাৰ ব্যৱহাৰ হয় –

(1) থলুৱা উচ্চাৰণ অনুকৰণ কৰাত

(2) শিকা আৰু আৱিষ্কাৰ কৰাত

(3) আনৰ আচৰণ নিয়ন্ত্ৰণ কৰাত

(4) যোগাযোগ কৰাত

119. শিকন কাৰ্য্য সহজৰ পৰা জটিললৈ হয় । যদি কোনো কাৰণবশতঃ এগৰাকী শিক্ষাৰ্থীয়ে প্ৰাৰম্ভিকখিনি শিকা নাই, তেতিয়া শিক্ষাৰ্থীগৰাকীক –

(1) প্ৰত্যক্ষ ভাষণ তথা দৃশ্যমূলক নিৰ্দেশ দিব লাগে

(2) উচ্চস্তৰীয় দৃশ্যমূলক নিৰ্দেশ দিব লাগে । কোনো ভাষণ নালাগে

(3) প্ৰত্যক্ষ ভাষণ আৰু কৌশলপূৰ্ণ নিৰ্দেশ দিব লাগে

(4) দৃশ্যমূলক তথা কৌশলপূৰ্ণ নিৰ্দেশ দিব লাগে । কোনো ভাষণ নালাগে

120. ভাষিক বৈচিত্ৰ বা ভিন্নতা থকা শ্ৰেণীকোঠা এটাত সুষম শিক্ষনৰ পৰিবেশ এটা নিশ্চিত কৰিবলৈ তলৰ কোনটো প্ৰক্ৰিয়া ব্যৱহাৰ কৰা উচিত ?

(1) লক্ষ্য ভাষাটোৰ নিয়মানুৱৰ্তী ব্যৱহাৰ

(2) গঠনমূলক বাৰ্তাবিনিময় কৰা আৰু শিক্ষন আৰু যোগাযোগ উন্নত কৰাকৈ বিভিন্ন কাৰ্য্য কৰা

(3) লক্ষ্য ভাষা ব্যৱহাৰ নকৰিলে সুযোগ নিদিয়া

(4) সঘনাই মাতৃভাষা ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া

https://www.freshersnow.com/previous-year-question-papers/

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ

প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব

যদিহে তেওঁলোকে **ভাষা – II** ৰ

বিকল্প **অসমীয়া** লৈছে ।

https://www.freshersnow.com/previous-year-question-papers/

# ভাগ V

## ভাষা II

## অসমীয়া

***নিৰ্দেশ :*** *তলত দিয়া গদ্যাংশ পঢ়ি গদ্যাংশটোৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 121-ৰ পৰা 129-লৈ) আটাইতকৈ উপযুক্ত উত্তৰটো বাচি উলিওৱা ।*

এনেবোৰ বৈচিত্ৰ্যৰ কথা ভাবিলে স্বাভাবিকতে এটা প্ৰশ্ন মনলৈ আহে, – ইমানবোৰ আঞ্চলিক, ভাষিক, ধৰ্মীয় বা সাংস্কৃতিক বৈষম্য থকা সত্বেও বহুকাল ধৰি এই বিৰাট ভু-খণ্ডৰ লোক এক ভাৰতীয় হৈ আছে কেনেকৈ ? কি এনে অদৃশ্য শক্তিয়েনো সমগ্ৰ ভাৰতবাসীক এক কৰি বান্ধি ৰাখিছে ? একেআষাৰে এই প্ৰশ্নৰ উত্তৰ দিয়া দুৰূহ । পৰিস্থিতিক গভীৰভাবে চালি জাৰি চাই ইয়াৰ কাৰণসমূহ তলত আলোচনা কৰা ধৰণে ফঁহিয়াই দেখুৱাব পাৰি ।

পৰ্বত-ভৈয়াম, নৈ-বিল-সাগৰ, সমভূমি-মালভূমি আৰু উপত্যকা বেষ্টিত ভাৰতৰ প্ৰকৃতিৰ মোহনীয় সৌন্দয্যই যুগ যুগ ধৰি বিদেশী পৰ্য্যটকক আকৰ্ষণ কৰি আহিছে । চালে চকু ৰোৱা এই বিনন্দীয়া সৌন্দৰ্য্যৰ হাতবাউলিক জানো কোনোবাই আওকাণ কৰিব পাৰে ? আনহাতে এই দেশৰ উৰ্বৰ ভূমি আৰু অমূল্য সম্পদৰ আকৰ্ষণকে উপেক্ষা কৰাৰ ক্ষমতা বিদেশী ব্যৱসায়ীসকলৰ নাই । সেইদেখি নিজৰ দেশক পাহৰি এই দেশকে আপোন বুলি সাৰটি লৈ ই দেশৰ সমাজ, সংস্কৃতি, ভাষাৰ মাজত নিজকে মিলাই দিছে ।

দ্বিতীয়তে, এই দেশ ঋষিমুনিৰ দেশ, তপস্বী সাধকৰ দেশ । বাল্মীকি, ব্যাস, বশিষ্ঠ, বিশ্বামিত্ৰ আদি ত্ৰি-কালজ্ঞ ঋষিসকলৰ আবিৰ্ভাব হৈছিল এই দেশতে । ভগৱান বুদ্ধ, মহাবীৰ, শঙ্কৰাচাৰ্য্য, ৰামানন্দ, কবীৰ, নানক, শঙ্কৰদেৱ, চৈতন্য আদি মহাপুৰুষসকলে ত্যাগৰ মন্ত্ৰ, উদাৰতাৰ বাণী আৰু আধ্যাত্মিকতাৰ আদৰ্শ প্ৰচাৰ কৰি শান্তিৰ পথ ৰচনা কৰি থৈ গৈছে । তেওঁলোকৰ মতে সকলো প্ৰাণী ভগৱানৰে অংশ, সেয়ে সকলো ভাই ভাই । এই মহামন্ত্ৰেৰে অনুপ্ৰাণিত হৈ সমস্ত ভাৰতবাসী 'সমত্ব' পাহৰি আপোন ভাই-ভনীৰ দৰে সকলোৰে লগত মিলিজুলি থাকিবলৈ লৈছে । ভাৰতবৰ্ষতে ৰচিত গীতা-ভাগৱতৰ মূল বক্তব্যও সেয়ে – "একং সৎ বিপ্ৰাঃ বহুধা বদন্তি ।"

তৃতীয়তে, যিবোৰ উপাদানে বিভিন্ন দিশত বিচিত্ৰতা দান কৰিছে সেইবোৰেই আকৌ ঐক্যৰ সেঁতুও নিৰ্মাণ কৰিছে – যেন ই বহুৰঙী সূতাৰে বৈ উলিওৱা এখনি ফুলাম গামোচাহে । হিন্দু, মুছলমান, খৃষ্টান আদি লোকসকলৰ ধৰ্ম আৰু আচাৰ ভিন্ন হলেও মাতৃভাষাই তেওঁলোকক একতাৰ ডোলেৰে বান্ধি ৰাখিছে ।

চতুৰ্থতে, বেলেগ বেলেগ ভাৰতীয় ভাষাত ৰচিত অগণন গ্ৰন্থৰাজি প্ৰথম দৃষ্টিত বেলেগ বেলেগ যেন লাগে; কিন্তু সেইবোৰক অতি ওচৰৰ পৰা চালি জাৰি চালে বিষয় আৰু ভাৱৰ ঐক্য জল্ জল্ পট্পট্ কৈ ভাহি উঠে । বেদ, উপনিষদ, গীতা-ভাগৱত, ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থয়ো মনত নপৰা কালৰে পৰা ভাৰতবাসীৰ চিন্তাধাৰা আৰু আদৰ্শৰ ক্ষেত্ৰত

https://www.freshersnow.com/previous-year-question-papers/

ঐক্যভাৱ গঢ়াত সহায়ক হৈছে । প্ৰাচীন কালত সংস্কৃত ভাষাই এই ঐক্য সাধনত বিশেষ অৰিহণা আগবঢ়াইছিল । ইয়েই পূব-পশ্চিম, উত্তৰ দক্ষিণ সকলো দিশকে সামৰি ঐক্য আৰু সম্প্ৰীতিৰ একেডাল এনাজৰীৰে বান্ধী ৰাখিছিল ।

**121.** কাৰ মতে 'সকলো প্ৰাণী ভগবানৰে অংশ, সেয়ে সকলো ভাই ভাই' ?

(1) লেখকৰ মতে

(2) ভাৰতবৰ্ষৰ পৰম্পৰা মতে

(3) হিন্দুধৰ্মৰ মতে

(4) বুদ্ধ, মহাবীৰ, শংকৰাচাৰ্য, ৰামানন্দ কবীৰ, নানক, শংকৰদেৱ, চৈতন্য আদি মহাপুৰুষসকলৰ মতে

**122.** উদ্ধৃত গদ্যাংশটোত লেখকে ভাৰতৰ আঞ্চলিক, ভাষিক, ধৰ্মীয় বা সাংস্কৃতিক বৈষম্য থকা স্বত্বেও ভাৰতবাসীৰ মাজত থকা ঐক্যৰ অদৃশ্য বন্ধনৰ কিমানটা মূল কাৰণ ফঁহিয়াই দেখুৱাইছে ?

(1) চাৰিটা

(2) তিনিটা

(3) দুটা

(4) সামগ্ৰিকভাৱে (ওপৰৰ এটাও নহয়)

**123.** কোনে ভাৰতবৰ্ষক আপোন বুলি সাৱটি লৈ দেশখনৰ সমাজ, সংস্কৃতি, ভাষাৰ মাজত নিজকে মিলাই দিছে ?

(1) বিদেশী পৰ্যটকসকলে

(2) বিদেশী ব্যৱসায়ীসকলে

(3) এই দেশৰ জনতাই

(4) নানা ধৰ্মৰ ধৰ্মগুৰু, সন্ত-মহন্তসকলে

**124.** ভাৰতবৰ্ষক বিচিত্ৰতা দান কৰা উপাদানসমূহেই ঐক্যৰ সেঁতুও নিৰ্মাণ কৰিছে । কথাষাৰ লেখকে কিহৰ সৈতে তুলনা কৰিছে ?

(1) বহুৰঙী সূতাৰে বৈ উলিওৱা এখনি ফুলাম গামোচাৰ সৈতে

(2) নানাৰঙী ফুলেৰে ভৰা এখন ফুলনিৰ সৈতে

(3) নদীৰ দুটা পাৰ সংযোগ কৰা এখন সেঁতুৰ সৈতে

(4) সাতোৰঙী ৰামধেনুৰ সৈতে

**125.** গদ্যাংশ অনুসৰি গীতা-ভাগৱতৰ মূল বক্তব্য হৈছে –

(1) সকলো প্ৰাণী ভগবানৰে অংশ

(2) ফলৰ আশা নকৰাকৈ কৰ্ম কৰা

(3) 'একং সৎ বিপ্ৰাঃ বহুধা বদন্তি ।'

(4) 'সৰ্বে সুখী ভৱন্তুঃ'

**126.** ভাৰতৰ হিন্দু, মুছলমান, খৃষ্টান আদি লোকসকলৰ ধৰ্ম আৰু আচাৰ ভিন্ন হোৱা স্বত্বেও কিহে তেঁওলোকক একতাৰ ডোলেৰে বান্ধি ৰাখিছে ?

(1) মাতৃভূমিৰ প্ৰতি থকা প্ৰেমে

(2) ইজনে সিজনৰ প্ৰতি থকা ভাতৃত্ববোধে

(3) ভাৰতীয় পৰম্পৰাই

(4) মাতৃভাষাই

https://www.freshersnow.com/previous-year-question-papers/

**127.** প্ৰাচীন কালত ভাৰতীয় ঐক্য সাধনত বিশেষ অবিহনা যোগোৱা এটা প্ৰধান কাৰক আছিল –

(1) বেদ উপনিষদ আৰু যোগ পৰম্পৰা

(2) সংস্কৃত ভাষা

(3) ঋষি-মুনিসকলৰ আদৰ্শ

(4) দেৱনাগৰী ভাষা

**128.** ভাৰতীয় প্ৰকৃতিৰ মোহনীয় সৌন্দৰ্যই যুগ যুগ ধৰি কাক আকৰ্ষণ কৰি আহিছে ?

(1) প্ৰকৃতিপ্ৰেমীসকলক

(2) সৌন্দৰ্যৰ সাধক তথা উপাসকলক

(3) বিদেশী পৰ্যটকসকলক

(4) প্ৰতিজন দেশপ্ৰেমী ভাৰতীয়ক

**129.** ভগবান বুদ্ধ, মহাবীৰ, শংকৰাচাৰ্য, ৰামানন্দ, কবীৰ, নানক, শংকৰদেৱ, চৈতন্য আদি মহাপুৰুষসকলে শান্তিৰ পথ কিদৰে ৰচনা কৰিছিল ?

(1) ত্যাগৰ মন্ত্ৰ, উদাৰতাৰ বাণী আৰু আধ্যাত্মিকতাৰ আদৰ্শ প্ৰচাৰ কৰি

(2) ধৰ্মগ্ৰন্থ ৰচনা কৰি আৰু সেইবোৰ প্ৰচাৰ কৰি

(3) মানুহক শান্তিদায়ক বাণী শুনাই

(4) অহিংসা, শান্তি, আত্মসংযম আদিৰ শিক্ষা দি

***নিৰ্দেশ :*** *তলত উদ্ধৃত কৰা ৰচনাখণ্ড পঢ়ি প্ৰশ্ন নং 130-ৰ পৰা 135-লৈ আটাইতকৈ উপযুক্ত বিকল্পটো বাচি উলিওৱা ।*

নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয় । দুয়ো বৈ নাথাকে, বৈ যায় । নৈৰ সোঁত যাওঁতে চকুৰে দেখি । সময়ৰ সোঁত এইদৰে বৈ নাযায় । কাৰ্য্যক্ষেত্ৰতহে তাৰ গম পোৱা যায় । কাৰ্য্য-ক্ৰম অনুসৰি সময় ভাগ কৰা হয় । সময়ৰ ডাঙৰ ভাগবিলাকেই যুগ, কল্প, শতাব্দী; মজলীয়া ভাগবিলাকেই ঋতু, বছৰ, মাহ; আৰু সৰু ভাগবিলাকেই দিন, ৰাতি, প্ৰহৰ । তাৰে ভগ্নাংশবিলাক হৈছে দণ্ড, পল, অনুপল ।

সময়ৰ এই ভাগবিলাক বিশেষ বিশেষ লক্ষণাক্ৰান্ত । এই কাৰণেই হিন্দু শাস্ত্ৰমতে চাৰি যুগৰ লক্ষণবিলাক নিৰ্ণয় কৰি থোৱা আছে । কলি-যুগত কল্কি অৱতাৰৰ পিছত সত্য-যুগৰ প্ৰৱৰ্তন, খ্ৰীষ্টানসকলৰ মতে মিলেনিয়াম্ বা হাজাৰ বছৰ যীশুৰ ৰাজত্ব; ইছলামৰ মতে শেষ ইমাম মেহদিৰ আগমন ইত্যাদি ঘটনাৱলীয়েই একো একো যুগৰ লক্ষণ । এই যুগবিলাকৰ পৰিবৰ্ত্তনেই কল্পান্তৰ, চাইক্লিক্ আদি বিভিন্ন নামত প্ৰখ্যাত । অৰ্থাৎ সময় সদায় বৃত্তাকাৰ গতিত ঘূৰিবই লাগিছে । কাৰ্য্য-গতিকে এই বৃত্তৰ ব্যাস আৰু পৰিধি বেছ-কম হয় বাবেই সময়ৰ বিভিন্ন বিভাগৰ কল্পনা ।

একো একোটা বিশেষ ঘটনা বা মানুহৰ কাৰ্য্য-কলাপ অৱলম্বন কৰিও সময়ৰ ভাগ কৰা হয় । ধৰ্ম্ম, কলা, সাহিত্য, কিংবদন্তি যুদ্ধ-বিগ্ৰহ, ৰাজত্ব আদি বিষয়বিলাকে সময়ৰ একো একোটা ঢাপ তুলি সীমাবদ্ধ কৰি থৈ যায় । সংবৎ, শকাব্দ, খ্ৰীষ্টাব্দ, হিজৰি, শঙ্কৰাব্দ, চৈতন্যাব্দ ইত্যাদি সময়বিভাগৰ গুৰিতে এনে একোটা স্মৰণীয় ঘটনা আছে ।

https://www.freshersnow.com/previous-year-question-papers/

প্ৰাকৃতিক জগতৰ গতি-বিধি লক্ষ্য কৰিও সময় নিৰূপণ কৰা হয় । ছয় ঋতুৰ উদ্ভৱ ইয়াতেই । জাৰত ঠেঁটুৰায়ে ধৰি ঠেৰেঙা হৈ থকা গছৰ ডালত কুঁহিপাত ওলালেই বসন্ত ঋতুৰ আগমন ধৰিব পাৰি । পদুম ফুলপাহ ৰাতিপুৱা মুকলি হৈ আৰু সন্ধিয়া জাপ গৈ সূৰ্য্য উদয় হোৱা আৰু অস্ত যোৱা সময়ছোৱা দেখুৱাই দিয়ে । বেলিফুল সূৰ্য্যৰ লগে লগে ঘূৰে । ইয়াক বেলি-ঘড়ীও বুলিব পাৰি । কঁঠালে মুচি পেলালে, আমে মলিয়ালে, ধান পকিলে, বাঁহে গাজ মেলিলে, ঢাপত কেতেকী গোন্ধালে একো একোটা ঋতুৰ সন্ধেদ পোৱা যায় ।

জীৱ-জন্তুৰ আচৰণতো সময় নিৰূপণ কৰিব পাৰি । কেঁকোৰা গাঁতত সোমালে, শামুকে পথাৰত দেখা দিলে, বালিমাহী চৰাই ওলালে, কুলি-কেতেকীয়ে মাতিলে, মাছে কণী পাৰিলে, চৰায়ে কুটা কঢ়িয়ালে, ভেকুলীয়ে টোৰ্‌টোৰালে, একো একোটা ঋতুৰ গম পোৱা যায় । গৰুৱে চৰা ঠাইৰপৰা ধূলি উৰাই উলটি আহোঁতে গধূলি হোৱা দেখা যায় । শিয়ালে হোৱা দি দি প্ৰতি প্ৰহৰৰ বাতৰি দিয়ে । ফেঁচুৱে জালি দি, টঙিত পাৰই ৰুণ্ দি জনায় পোহৰ হ'বলৈ আৰু বেছি পৰ নাই । কুকুৰাৰ ডাকত ৰাতি পুৱাল বুলি মানুহে শোৱা ঢাৰি-পাটী এৰিবৰ উপক্ৰম কৰে ।

**130.** সময়ৰ ডাঙৰ ভাগবোৰৰ ভিতৰত তলৰ কোনটো অৰ্ন্তভুক্ত নহয় ?

(1) কল্প

(2) শতাব্দী

(3) যুগ

(4) বছৰ

**131.** একো একোটা বিশেষ ঘটনা বা মানুহৰ কাৰ্য্য-কলাপ আদিৰ ভিত্তিত কৰা সময়ৰ ভাগবোৰৰ এটা উপযুক্ত উপযুক্ত উদাহৰণ হৈছে –

(1) হিজৰি

(2) ঋতু

(3) ঘন্টা

(4) যুগান্তৰ

**132.** গৰুৱে চৰা ঠাইৰ পৰা ধূলি উৰাই উলটি অহা কাৰ্য্যই কিহৰ সংকেত বহন কৰে ?

(1) গৃহস্থই যাতে গোহালিত ধূনা, জাগ আৰু দানাৰ ব্যৱস্থা কৰে

(2) গধূলি সময় হৈছে

(3) ধূলি উৰা ফাগুন মাহৰ শুকান বতৰ

(4) দিনটোৰ বাবে ঘৰৰ বাহিৰৰ কাম-কাজ সমাপ্ত হৈছে

**133.** কল্পান্তৰ তথা চাইক্লিক হৈছে –

(1) এটা ধৰ্মীয় আৰু বিজ্ঞানসন্মত ধাৰণা

(2) এটা কাল্পনিক ধাৰণা

(3) একোটা যুগৰ পৰিবৰ্তন

(4) একোটা যুগ

**134.** উদ্ধৃত ৰচনাখণ্ডত সময়ক কিহৰ সৈতে তুলনা কৰা হৈছে ?

(1) পাখিলগা কাড়ৰ সৈতে

(2) পখীৰাজ ঘোৰাৰ দুৰন্ত গতিৰ সৈতে

(3) নদীৰ সৈতে

(4) নদীৰ সোঁতৰ সৈতে

**135.** দণ্ড, পল, অনুপল হৈছে –

(1) সময়ৰ সৰু ভাগবোৰৰ ভগ্নাংশ

(2) সময়ৰ সৰু সৰু ভাগ

(3) সময় জোখাৰ পুৰণি শব্দ

(4) বেলি ঘড়ীৰ সময়ৰ জোখ

https://www.freshersnow.com/previous-year-question-papers/

*নিৰ্দেশ : প্ৰশ্ন নং 136-ৰ পৰা 150-লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱা ।*

**136.** শিক্ষাৰ্থীয়ে নিজেই কোৱা কথাৰ পুনৰাবৃত্তি কৰি বোধ বা অনুধাৱন বা কম্প্ৰিহে'নশ্বন মূল্যায়ণ কৰা কৌশলটো হৈছে –

(1) তথ্য বিচৰা

(2) সাৰাংশকৰণ বা ছামাৰাইযিং

(3) সঞ্চিত তথ্য উদ্ধাৰকৰণ বা ৰিট্ৰীভিং

(4) তথ্য গোটোৱা

**137.** যদিহে শিক্ষাৰ্থীগৰাকী মানসিক চাপত থাকে, অন্য চিন্তাৰে গধূৰ যেন দেখা যায় আৰু যিমান হ'ব লাগে সিমান গ্ৰহণক্ষম যেন নালাগে, তেতিয়া শিকাৰ ক্ষেত্ৰত আহি পৰা বাধাটো হৈছে –

(1) কগ্‌নিটিভ

(2) এফে'ক্টিভ

(3) ফীজিকেল

(4) ছাইক'মটৰ

**138.** পঞ্চম মানৰ লিখন মূল্যায়ন এটাত শিক্ষাৰ্থীয়ে পাঠকক অনুপ্ৰাণিত কৰাকৈ ভাষা ব্যৱহাৰ কৰিব লাগে । লিখন কাৰ্য্যটোত শিক্ষাৰ্থীগৰাকীৰ পৰা কি আশা কৰা যাব ?

(1) পুংখানুপুংখ বিৱৰণ দিয়াটো

(2) বিশ্বাসযোগ্য মত এটা দিব পৰাটো

(3) নিৰ্দেশমূলক সাৰাংশ এটা দিয়াটো

(4) কাল্পনিক ঘটনা এটা লিখাৰ প্ৰয়াস কৰাটো

**139.** কেনেধৰনৰ প্ৰশ্নই শিশুৰ চিন্তা কৰাৰ দক্ষতা বৃদ্ধি কৰে ?

(1) ব্যক্তিগত সঁহাৰিৰ প্ৰশ্ন

(2) আবদ্ধ উত্তৰৰ প্ৰশ্ন

(3) তথ্যভিত্তিক প্ৰশ্ন

(4) সম্পূৰ্ণ পাঠ্যপুথি আধাৰিত প্ৰশ্ন

**140.** কঁওতাৰ বাৰ্তা এটা বুজি পাবলৈ এটা সচেতন সিদ্ধান্ত লোৱা হয় ।

– এই কাৰ্য্যটো তলৰ কোনটোৱে অটোইতকৈ উপযুক্ত ৰূপত নিৰ্দেশ কৰে ?

(1) কনশ্বাছ এপ্ৰ'চ্চ

(2) কথোপকথন ক্ষমতা

(3) নিষ্ক্ৰিয় শ্ৰৱন

(4) সক্ৰিয় শ্ৰৱণ

**141.** ভাষা শিক্ষন কৌশলত পৰিপ্ৰেক্ষিত প্ৰাসংগিক ব্যাকৰণ হৈছে –

(1) ব্যাকৰণৰ স্পষ্ট তথা ফট্‌ফটীয়া শিক্ষন

(2) শুদ্ধতাৰ বাবে স্বাভাৱিক কথোপকথন এটা বানীবদ্ধ কৰি শুনা

(3) পঠন আৰু শ্ৰৱণৰ দৰে আহৰণমূলক কাৰ্য্যৰ জৰিয়তে ব্যাকৰণ শিক্ষা

(4) অনুশীলনত কম গুৰুত্ব, লিখন আৰু ব্যাকৰণৰ মাজত সংযোগ চিহ্নিত কৰা

**142.** তলৰ কোনটো ভাষাবৈজ্ঞানিক দক্ষতা বিকাশৰ উপৰিও শ্ৰেণীকোঠাৰ আচৰণ বিধিৰ লগত জৰিত ?

(1) ডিছিপ্লিনড্‌ এপ্ৰ'চ্চ

(2) ক্ৰিয়েটিভ এপ্ৰ'চ্চ

(3) কম্প্ৰিহেন্সিভ এপ্ৰ'চ্চ

(4) ইনক্লুছিভ এপ্ৰ'চ্চ

**143.** এগৰাকী শিক্ষকে তেঁওৰ শ্ৰেণীকোঠাৰ ভাষণৰ স্ক্ৰীন ৰেকৰ্ডিং আৰু ভিডিঅ' এডিটিং কৰি সেয়া হ'মৱৰ্ক হিচাপে দিয়া কাৰ্যই ছাত্ৰ-ছাত্ৰীক

(1) নিজে পঢ়ি নিজকে অনুপ্ৰেৰিত, উৎসাহিত কৰে

(2) নিজৰ ব্যক্তিগত ৰাপৰ অনুসন্ধান কৰিবলৈ দিয়ে

(3) নিৰ্দিষ্ট পাঠ পঢ়াৰ পৰা অব্যাহতি দিয়ে

(4) এক বিশেষধৰণৰ প্ৰদৰ্শনৰ সৈতে চিনাকি কৰোৱায়

https://www.freshersnow.com/previous-year-question-papers/

**144.** সকলো ছাত্ৰ-ছাত্ৰীকে সিহঁতে পঢ়া পাঠ বিশ্লেষণ কৰিব পৰা, সিহঁতক উদ্দেশ্য কৰি মন্তব্য বুজি পোৱা আৰু সিহঁতৰ নিজা মত ব্যক্ত কৰিব পৰাটো সম্ভৱপৰ কৰি তুলিবলৈ হ'লে –

(1) লক্ষ্য ভাষাটোত মাতৃভাষাৰ ব্যৱহাৰ প্ৰয়োজনীয়

(2) ব্যাকৰণৰ নিয়ম মুখস্থ ৰাখিব লাগিব

(3) বাক্য গঠনবোৰ বুজি উঠি সেইবোৰ ব্যৱহাৰ জানিব লাগিব

(4) শব্দসম্ভাৰ প্ৰচুৰ পৰিমাণে মজুত থকা উচিত

**145.** দ্বিভাষিক শিক্ষাৰ শ্ৰেণীকোঠা এটাত –

(1) শিক্ষকে কেৱল লক্ষ্যভাষাটো ব্যৱহাৰ কৰে

(2) ছাত্ৰ-ছাত্ৰীবোৰে একেটা ভাষাতে কথা পাতে

(3) শিক্ষকে ছাত্ৰ-ছাত্ৰীবোৰৰ ভাষা কয়

(4) শিক্ষকে ছাত্ৰ-ছাত্ৰীবোৰৰ ভাষাৰ লগতে লক্ষ্য ভাষাটো ব্যৱহাৰ কৰে

**146.** শুদ্ধ বাক্যটো বাচি উলিওৱা ।

(1) সকলোধৰণৰ সাৰাংশমূলক পৰীক্ষা শিকোৱা আৰু শিকা কাৰ্য্য উন্নত কৰিবব বাবেই হয়

(2) গঠনমূলক মূল্যায়নে ছাত্ৰ-ছাত্ৰীক ভাল, মধ্যমীয়া আৰু পুতৌজনক হিচাপে মান নিৰূপণ কৰাত সহায় কৰে

(3) সকলো গঠনমূলক কাৰ্য্যই মূল্যায়নৰ বাবে

(4) গঠনমূলক মূল্যায়ন (formative assessment) ফলপ্ৰসূ হ'বৰ বাবে পাঠ এটা পঢ়াই থকাৰ মাজত বা পঢ়াই শেষ হোৱাৰ পাছত কৰিব লাগে

**147.** তলৰ কোনটো বয়স গোটৰ শিকাৰু সিহঁতে পোৱা language input-ৰ ধৰণৰ দ্বাৰা আটাইতকৈ বেছিকৈ প্ৰভাৱান্বিত হয় আৰু তাৰ অৰ্থ আৰু পৰিমাণ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে ?

(1) [1 – 4 বছৰ]

(2) [15 – 17 বছৰ]

(3) [10 – 14 বছৰ]

(4) [9 – 12 বছৰ]

**148.** দ্বিতীয় ভাষাৰ ভাষা দক্ষতা অভ্যাস মানত থাকে । অৰ্থাৎ –

(1) ধ্বনি, শব্দ, বাক্যাংশ আৰু অৰ্থ শিকাব লাগে

(2) ভাষাটো কোৱা স্থানীয় ভাষী এজনৰ দৰেই বাক্য গঠন কৰিব লাগে

(3) মুখস্থ কৰা বা মনত ৰখা, প্ৰাৰম্ভিক বাক্য গাঠনি সাধাৰণ কথোপকথনত ব্যৱহাৰ কৰা

(4) উপযুক্ত শব্দসম্ভাৰ আৰু বাক্যবিন্যাস ব্যৱহাৰ কৰি বাক্য গঠন কৰা

**149.** লক্ষ্য ভাষাটোত ব্যাকৰণ শিকোৱা কাৰ্য্যই

(1) শিকাৰুৰ পৰা উচ্চ-শক্তিৰ প্ৰদৰ্শন দাবী কৰে

(2) পাঠ্য পুথি নিৰীক্ষণ কৰে আৰু ভাষা যে এটা প্ৰণালীৰ ওপৰত ভিত্তি কৰা, সেই কথাটোৰ প্ৰতি সজাগ কৰি তোলে

(3) লক্ষ্য ভাষাটো ব্যৱহাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰে

(4) ব্যাকৰণৰ অৱধাৰণাৰ বাবে প্ৰযুক্তিৰ সামগ্ৰী প্ৰয়োজনবোধ কৰে

**150.** নিৰ্দিষ্ট শিক্ষন প্ৰতিবন্ধীত্বৰ কাৰণ নিৰ্ণয় কৰি পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি পঠন/লিখনত হস্তক্ষেপ কৰা হয় –

(1) অভিভাৱকৰ লগত কথা পাতি

(2) প্ৰতিকাৰমূলক শিক্ষনৰ ব্যৱস্থা কৰি

(3) শিক্ষাৰ্থীৰ লগত পাতি

(4) গুৰুত্বপূৰ্ণ ধাৰণাবোৰ অনুশীলন কৰোৱাই

https://www.freshersnow.com/previous-year-question-papers/

**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়া**

1. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ প্ৰত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পেনেৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।
2. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
3. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।
4. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা ।
5. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন, বৈদ্যুতিন সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।
6. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।
7. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
8. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।
9. বৈদ্যুতিন/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।
10. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
11. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
12. পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।

https://www.freshersnow.com/previous-year-question-papers/

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY :**

1. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with Blue/Black Ball Point Pen on Side-2 of the OMR Answer Sheet. The answer once marked is not liable to be changed.
2. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
3. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
4. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
5. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
6. Each candidate must show on demand his / her Admission Card to the Invigilator.
7. No candidate, without special permission of the Superintendent or Invigilator, should leave his / her seat.
8. The candidates should not leave the Examination Hall without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet a second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left-hand THUMB impression in the space provided in the Attendance Sheet.**
9. Use of Electronic/Manual Calculator is prohibited.
10. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
11. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
12. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Room/Hall.** ***The candidates are allowed to take away this Test Booklet with them.***

**निम्नलिखित निर्देश ध्यान से पढ़ें :**

1. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के पृष्ठ-2 पर केवल एक वृत्त को ही पूरी तरह नीले/काले बॉल पॉइन्ट पेन से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
2. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
3. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
4. परीक्षा पुस्तिका/उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
5. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश कार्ड के सिवाय किसी प्रकार की पाठ्य सामग्री, मुद्रित या हस्तलिखित, काग़ज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
6. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-कार्ड दिखाएँ ।
7. अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
8. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा । **परीक्षार्थी अपने बाएँ हाथ के अँगूठे का निशान हाज़िरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ ।**
9. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है ।
10. परीक्षा-हॉल में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
11. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
12. **परीक्षा सम्पन्न होने पर, परीक्षार्थी कक्ष/हॉल छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें ।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।***

https://www.freshersnow.com/previous-year-question-papers/